প্ৰেছ বিজ্ঞপ্তি
৬ জানুৱাৰী,২০১৭

**আৰ বি আয়ে ব্ৰহ্মবৰ্ত কমাৰ্চিয়েল কো-অপাৰেটিভ বেংক লিমিটেড, কানপুৰ, উত্তৰ প্ৰদেশক জাৰি কৰা নিৰ্দেশনা সম্প্ৰসাৰিত কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্ৰহ্মবৰ্ত কমাৰ্চিয়েল কো-অপাৰেটিভ বেংক লিমিটেড, কানপুৰক জাৰি কৰা নিৰ্দেশনা ৭ জানুৱাৰী, ২০১৭ৰ পৰা ৬ জুলাই, ২০১৭লৈকে, পৰ্যালোচনা সাপেক্ষে অধিকতৰ ছমাহৰ বাবে পৰ্যালোচনা সাপেক্ষে সম্প্ৰসাৰিত কৰিছে। বেংকটো, বেংকিং বিনিয়ম আইন, ১৯৪৯ (এ এছ চি এছ)ৰ ধাৰা ৩৫(ক)ৰ অধীনত ৭ জুলাই, ২০১৫ৰ পৰা নিৰ্দেশনাধীন হৈ আছিল। ওপৰোক্ত নিৰ্দেশনাটো বদলোৱা হৈছিল আৰু ইয়াৰ বৈধতা ৬ জানুৱাৰী, ২০১৭ পৰ্যন্ত সম্প্ৰসাৰিত কৰা হৈছিল। একে নিৰ্দেশনাকে দিনাংক ৩০ ডিচেম্বৰ, ২০১৬ নিৰ্দেশযোগে ৬ জুলাই, ২০১৭ লৈকে আৰু অধিক সম্প্ৰসাৰিত কৰা হৈছে। দিনাংক ৩০ ডিচেম্বৰ, ২০১৬ৰ নিৰ্দেশটোৰ এটা প্ৰতিলিপি ৰাইজে পঢ়িব পৰাকৈ বেংকটোৰ চৌহদত আঁৰি দিয়া হৈছে।

ৰিজাৰ্ভ বেংকৰ নিৰ্দেশটোৰ সলনিকৰণক আপাত দৃষ্টিত বেংকটোৰ বিত্তীয় অৱস্থাৰ উন্নতি বা অৱনতি হোৱা বুলি জানিব নালাগে। পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ৰিজাৰ্ভ বেংকে নিৰ্দেশটো সলনি কৰাটো বিবেচনা কৰিব পাৰে।

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/১৮০৭**

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা